ব্যৱসায়-বাণিজ্য

২৬ বছৰৰ অন্তত পুনৰ ভাৰতীয় বজাৰলৈ উভতি আহিব জনপ্রিয় শীতল পানীয় Gold Spot

প্রায় ২৬ বছৰৰ বিৰতিৰ অন্তত ভাৰতীয় বজাৰত পুনৰ মুকলি হ'ব কমলাৰ সোৱাদযুক্ত এসময়ৰ অত্যন্ত জনপ্রিয় শীতল পানীয় গোল্ড স্পট।

প্রকাশ: ২৪ নৱেম্বৰ ২০২৬, আবেলি ৬:০৮



Gold Spot may return to Indian market after 26 years

প্রায় ২৬ বছৰৰ বিৰতিৰ অন্তত পুনৰ ভাৰতীয় বজাৰলৈ উভতি অহাৰ প্রস্তুতি চলিছে এসময়ৰ জনপ্রিয় শীতল পানীয় 'গোল্ড স্পট'ৰ। ২০০০ চনত বজাৰৰ পৰা আঁতৰাই দিয়া কমলাৰ সোৱাদযুক্ত এই পানীয়বিধ পুনৰ মুকলি কৰিবলৈ সাজু হৈছে ক'কা-ক'লা কর্তৃপক্ষ। অহা সপ্তাহৰ পৰাই পানীয়বিধ নতুন ৰূপত উপলব্ধ হোৱাৰ সম্ভাৱনা আছে।

এইবাৰ গোল্ড স্পট কম চেনি আৰু চেনিবিহীন সংস্কৰণত বজাৰলৈ অনাৰ পৰিকল্পনা হাতত লোৱা হৈছে। বর্তমান সময়ত স্বাস্থ্যসন্মত পানীয়ৰ প্রতি গ্রাহকৰ আগ্রহ বৃদ্ধি পোৱাৰ প্রতি লক্ষ্য ৰাখি এই পদক্ষেপ গ্রহণ কৰা হৈছে। তথ্য অনুসৰি, ক'কা-ক'লাৰ বার্ষিক বিক্রীৰ ৬০ শতাংশই ডায়েট আৰু লাইট পানীয়ৰ পৰা আহে।

১৯৫০ৰ দশকত ভাৰতীয় বজাৰত আত্মপ্রকাশ কৰা গোল্ড স্পট এসময়ত দেশৰ যুৱ প্রজন্মৰ মাজত যথেষ্ট জনপ্রিয় আছিল। পানীয়বিধৰ বহুল চর্চিত শ্লগান আছিল 'দা জিং থিং'। ১৯৯৩ চনত পার্লে বিচলেৰীৰ পৰা

গোল্ড স্পট, থাম্বছ আপ আৰু লিমকা অধিগ্রহণ কৰিছিল ক'কা-ক'লাই। কিন্তু ২০০০ চনত নিজৰ আন এক ব্রেণ্ড ফেণ্টাৰ প্রচাৰ আৰু বজাৰ সম্প্রসাৰণৰ স্বার্থত গোল্ড স্পটৰ উৎপাদন বন্ধ কৰি দিয়া হৈছিল।

বর্তমান ভাৰতীয় শীতল পানীয়ৰ বজাৰত কেম্পা আৰু লাহোৰী জিৰাৰ দৰে ব্রেণ্ডৰ সৈতে প্রতিযোগিতা তীব্রতৰ হৈ পৰিছে। এনে পৰিস্থিতিত পুৰণি জনপ্রিয় ব্রেণ্ড গোল্ড স্পটক নতুন ৰূপত ঘূৰাই অনাটো প্রতিষ্ঠানটোৰ বাবে এক গুৰুত্বপূর্ণ ব্যৱসায়িক পদক্ষেপ হিচাপে বিবেচিত হৈছে।

ইফালে, ক্রিকেট তাৰকা মহেন্দ্র সিং ধোনী আৰু তেওঁৰ পত্নী সাক্ষীক সামাজিক মাধ্যমত গোল্ড স্পটৰ সৈতে দেখা পোৱাৰ পিছত তেওঁলোকক ব্রেণ্ড এম্বেছেডৰ হিচাপে নিযুক্তি দিয়াৰ সম্ভাৱনাক লৈ চর্চা আৰম্ভ হৈছে। অৱশ্যে এই সন্দর্ভত প্রতিষ্ঠানটোৱে এতিয়ালৈকে কোনো আনুষ্ঠানিক ঘোষণা কৰা নাই।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/5978/gold-spot-relaunch-india-coca-cola